Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দশম শ্রেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ৫

দৃশ্যান্তৰ

অংশ - ১

অংগৰাগ ভূঞা



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,-
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পদ্যাংশ

দৃশ্যান্তৰ



হৰেকৃষ্ণ ডেকা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কবি-পৰিচয়

হৰেকৃষ্ণ ডেকা :

জন্ম ১৯৪৩ চনত। ল'ৰালি কালছোৱা তিনিচুকীয়াত কটায়। ১৯৫৯ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত পঢ়িবলৈ লয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৫ চনত ইংৰাজী বিষয়ত এম.এ. পাছ কৰে। গুৱাহাটীৰ কমার্চ কলেজত অধ্যাপনাৰে চাকৰি জীৱন আৰম্ভ কৰা ডেকাদেৱে পাছত ভাৰতীয় আৰক্ষী সেৱাত যোগদান কৰি আৰক্ষী সঞ্চালক হিচাপে অৱসৰ লয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

হৰেকৃষ্ণ ডেকা 'The Sentinel' কাকত আৰু 'গৰী য়সী' আলোচনীৰো সম্পাদক আছিল। তেওঁ 'ৰাতিৰ শোভাযাত্রা', 'আন এজন', 'Sea-Scare' আদি কবিতাপুথি; 'গল্প আৰু কল্প', 'মধুসূদনৰ দলং', 'বন্দীয়াৰ', 'মৃত্যুদণ্ড' আদি গল্পপুথি ৰচনা কৰিছে। তেওঁৰ একমাত্র উপন্যাস হ'ল 'আগন্তুক'।

ইয়াৰ বাহিৰেও তেওঁ কেইবাখনো পুথি অসমীয়া ভাষালৈ অনুবাদ কৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেওঁ ১৯৮৭ চনত সাহিত্য অকাডেমী বঁটা, ১৯৯৬ চনত 'কথা বঁটা' আৰু ২০১০ চনত 'অসম উপত্যকা সাহিত্য বঁটা' লাভ কৰে।



হস্ত + অন্তৰ = হস্তান্তৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দৃশ্যান্তৰ

পঁচিশ বছৰৰ আগতে
এই ঠাইতেই এজনক লগ পাইছিলোঁ।
আলি-কেঁকুৰিটো আছিল কেঁচা।
সময়টো আছিল গধূলি।
তেওঁ নঙলামুখত বিচাৰি ফুৰিছিল
নিজৰ ঘৰৰ পদূলি।
এটা পঁজাঘৰ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আকাশ ধিয়াই কেইজোপামান কাকিনী তামোল।
ঘৰৰ দাঁতিত আগলি বাঁহৰ
নমিত নমস্কাৰ।
পূর্ণ জোনৰ লণ্ঠনৰ পোহৰতো
কুকুৰীকণা মানুহজনে নিজৰ ঘৰ বিচাৰি পোৱা নাছিল।
ওচৰত সহায় সাৰথি কেও নাছিল।
মই যেতিয়া হাতত ধৰি তেওঁক
আগুৱাই দিছিলোঁ, কৈছিল,
বৰ শান্তিত আছোঁ
এই পঁজাটিত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আজি এই ঠাইতেই লগ পালোঁ আৰু এজনক বৃদ্ধ ন্যুব্জ দেহ। বয়সৰ চিন নোহোৱা হ'লে মুখত পঁচিশ বছৰ আগৰ সাইলাখ সাঁচ। সাতমহলীয়া ঘৰৰ বাহিৰত তেওঁ ৰৈ আছিল। ওচৰে-পাজৰে আন কেবাটাও অট্টালিকা। এটাতকৈ আনটোৰ ৰূপ চৰা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সন্ধ্যা ভগাৰ বহুত পাছতো মানুহ পিয়াপি দি ফুৰিছিল।
চশমাৰ তলেৰে সন্দেহেৰে চাই তেওঁ মোক সুধিলে,
হেৰা অচিনাকি মানুহজন,
তোমাক কি লাগেহে ইয়াত?



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাৰাঘৰ বিচাৰি আহিছা
এই কুবেৰৰ মহলাত ক'ত পাবা আৰু পালেও
কি শান্তিত থাকিবা ইয়াত। মৰিলে দাহ কৰিবলৈও
এজন মানুহ নাই।
যখৰ পোৱালিহঁতে কাক কোনে চায়!

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এই বুলি কৈ তেওঁ সাতমহলীয়া ঘৰৰ ভিতৰলৈ সোমাই গ'ল। এই কংক্রীটৰ হাবিখনত তেওঁক বিচাৰি নাপালোঁ আৰু।

বৰ অশান্তিৰে উভতি আহিলোঁ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শব্দার্থ আৰু টোকা

কাকিনী তামোল : বৰ ওখ তামোল গছ।

কুকুৰীকণা : গধূলি বা ৰাতি নেদেখা মানুহ।

কুবেৰ : যক্ষৰ অধিপতি; ধনৰ অধিপতি দেৱতা।

দাহ : পোৰা কার্য।

দৃশ্যান্তৰ : ভিন্ন বা অন্য দৃশ্য, এটা দৃশ্যৰ পৰা অন্য এটা দৃশ্য হোৱা।

ন্যুজ : কুঁজা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



পিয়াপি দি : এটা এটা হৈ চাৰিওফালে, ঘূৰি ফুৰা।

যখ : পুতি থোৱা ধন-সোণ ৰখি থাকে বুলি ভবা অপদেৱতা; অতিশয় কৃপণ লোক।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাঠবোধ

কবি হৰেকৃষ্ণ ডেকাৰ 'দৃশ্যান্তৰ' কবিতাটোত সামাজিক জীৱনৰ ৰূপ প্ৰতিফলিত হৈছে। কবিয়ে লগ পোৱা ব্যক্তি এজনৰ প্ৰসংগেৰে তেওঁ উন্মোচন কৰিছে নগৰীয়া জীৱনৰ শূন্যতা আৰু অপ্ৰাপ্তি। কেঁচা আলি-কেঁকুৰিৰ পৰা কংক্ৰীটৰ হাবিলৈকে বিবিধ চিত্ৰকল্পৰ মাজেৰে কবিয়ে আধুনিক মানুহৰ নিঃসংগতা আৰু চহৰীয়া জীৱনৰ যান্ত্ৰিকতাক প্ৰতিফলিত কৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কবিৰ কেইবাটাও কবিতাত গ্ৰাম্য জীৱনৰ অকপট ৰূপ প্ৰকাশ পোৱাৰ দৰে চহৰীয়া জীৱনৰ ৰুক্ষতাৰো ৰূপায়ণ ঘটিছে। 'দৃশ্যান্তৰ' নামটোতেই লুকাই আছে আমাৰ সমাজ জীৱনৰ পৰিৱৰ্তিত সত্য। দুটা ভিন্ন অভিজ্ঞতাৰ মাজেৰে কবিয়ে কবিতাটোত ভাব আৰু ভাষাৰ অনুপম সামঞ্জস্য ৰাখিবলৈ সমৰ্থ হৈছে। 'দৃশ্যান্তৰ' কবিতাটো আমাৰ সমাজ-জীৱনৰে এক আলেখ্য।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'দৃশ্যান্তৰ' কবিতাটোত প্ৰকাশ পোৱা অভিব্যক্তিক আধুনিক কবিতাৰ বিদ্যায়তনিক আলোচনাত 'মহানগৰ চেতনা' বুলি কোৱা হয়।



Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। কবিয়ে কিমান বছৰৰ আগতে মানুহজনক লগ পাইছিল?

(ক) দহ বছৰৰ আগতে

(খ) পচিশ বছৰৰ আগতে

(গ) ত্রিশ বছৰৰ আগতে

(খ) পোন্ধৰ বছৰৰ আগতে

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। কবিয়ে কোন সময়ত মানুহজনক লগ পাইছিল?

(ক) পুৱা

(খ) দুপৰীয়া

(গ) দোকমোকালি

(ঘ) গধূলি

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৩। মানুহজনৰ ঘৰৰ দাঁতিত কিহে নমস্কাৰৰ ভংগীত আছিল?

(ক) তেওঁৰ প্ৰতিবেশীয়ে

(খ) এজন আত্মীয়ই

(গ) আগলি বাঁহে

(খ) নল খাগৰিয়ে

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৪। মানুহজনে কবিক কি বিচাৰি অহাৰ কথা সুধিছিল?

(ক) ভাৰাঘৰ

(খ) ঠিকনা

(গ) বন্ধু

(ঘ) হেৰোৱা বস্তু